**অসম জাতীয় বিদ্যালয়ত শিল্পী দিৱস উদ্‌যাপন**

**নুনমাটি, ১৭ জানুৱাৰি, ২০১৮ :** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু দিন 'শিল্পী দিৱস' আজি নুনমাটিৰ অসম জাতীয় বিদ্যালয়তো উদ্‌যাপন কৰা হয়। পুৱা ৯.৪৫ বজাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই। অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণী ভাষণ আগবঢ়োৱাৰ পাছতে দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী গায়ত্ৰী শইকীয়াই। শিল্পী দিৱসৰ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সংগীত শিল্পী ড° সংগীতা কাকতি। সংগীত শিল্পীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ জ্যোতিপ্ৰসাদৰ জীৱন আৰু সৃষ্টিৰাজিৰ আলোকপাত কৰাৰ লগতে কেইবাটিও মনোৰম গীত পৰিৱেশন কৰে। অনুষ্ঠানত শিক্ষাৰ্থীসকলে জ্যোতিপ্ৰসাদৰ গীতৰ আধাৰত আলেখ্য, নৃত্য, গীত আদি পৰিৱেশন কৰাৰ লগতে জ্যোতিপ্ৰসাদৰ অনুপম সৃষ্টি 'জ্যোতি ৰামায়ণ'ৰ চমু আলোচনা আগবঢ়ায় অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী কবিতা পাটগিৰিয়ে। এই অনুষ্ঠানতে বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীসকলে এখন প্ৰাচীৰ পত্ৰিকাও প্ৰস্তুত কৰি উলিয়ায়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় সমাজ বিজ্ঞান বিভাগৰ মুৰব্বী শিক্ষয়িত্ৰী সোণালী গগৈয়ে। 'শিল্পী দিৱস'ৰ অনুষ্ঠানৰ সামগ্ৰিক দায়িত্বত আছিল বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী নিজৰা গোহাঁই।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ'ন : ৯৭০৬০২৫১৬৭

**Silpi Divas observed at Assam Jatiya Bidyalay, Noonmati**

**Noonmati, 17 January, 2018 :** Like the other parts of the state, Assam Jatiya Bidyalay, Noonmati also today observed Silpi Divas on the $67^{th}$ death anniversary of Rupkonwar Jyotiprasad Agarwala. The programme started at 9.45 am with the Rector Ranjit Narayan Deka lighting Diya and garlanding the portrait of the cultural icon of Assam. After the welcome speech of the Principal, Gayatri Saikia, a teacher from the department of Assamese and Sanskrit spoke on the significance of celebrating Silpi Divas. The Chief Guest of the programme was eminent singer Dr. Sangita Kakati. On her speech she dwelt on the life and creativity of Rupkonwar Jyotiprasad Agarwala. She also rendered her voice to many famous Jyoti Sangeets. Kabita Patgiri, the head of the department of Assamese and Sanskrit delivered a speech on 'Jyoti Ramayana'. A wall magazine prepared by the ex-students of Assam Jatiya Bidyalay added glory to this occasion. Many cultural programmes were performed on stage by the students. Sonalee Gogoi, the head of the department of Social Science offered vote of thanks. The over all in charge of the programme was Nijara Gohain, a senior teacher from the department of Social Science.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati